**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-10-2023
**Time :** 19-10 Hrs.

***Assamese Evening Bulletin***

::::::::::::::::::::::::::::::::::::::::

১। চৰকাৰে উজ্জ্বলা যোজনাৰ হিতাধিকাৰীসকলৰ বাবে ৰন্ধন গেছৰ প্ৰতিটো চিলিণ্ডাৰৰ ৰাজসাহায্য ১০০ টকা বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ৰাজস্থান আৰু মধ্যপ্ৰদেশত কেইবাটাও প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

৩। প্ৰধানমন্ত্ৰীয়ে আজি চিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাঙৰ সৈতে কথা পাতে আৰু গ্লেছিয়েল হ্ৰদৰ পানী অকস্মাত বৃদ্ধি পোৱাৰ বাবে ৰাজ্যখনৰ বিভিন্ন অংশত সৃষ্টি হোৱা বানৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ বুজ লয়।

৪। ৰসায়নবিদ মৌংগী জি বাৱেন্দী, লুইছ ই ব্ৰুছ্ আৰু এলেক্সি আই একিমোভলৈ ২০২৩ বৰ্ষৰ ৰসায়ন বিজ্ঞানৰ নবেল বঁটা আগবঢ়োৱা হৈছে। *আৰু*

৫। ভাৰতে এছিয়ান গেমছত বৰ্তমানলৈকে ১৭ টা সোণ, ৩১ টা ৰূপ আৰু ৩২ টা ব্ৰঞ্জসহ মুঠ ৮০ টা পদক লাভ কৰিছে।

০০০

চৰকাৰে উজ্জ্বলা যোজনাৰ হিতাধিকাৰীসকলৰ বাবে ৰন্ধন গেছৰ প্ৰতিটো চিলিণ্ডাৰৰ ৰাজসাহায্য ১০০ টকা বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথাবতৰাত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অনুৰাগ সিং ঠাকুৰে কয় যে, কেন্দ্ৰীয় কেবিনেটে প্ৰধানমন্ত্ৰী উজ্জ্বলা যোজনাৰ হিতাধিকাৰীসকলৰ বাবে ৰন্ধন গেছৰ প্ৰতিটো চিলিণ্ডাৰৰ ৰাজসাহায্য বৰ্তমানৰ ২০০ টকাৰ পৰা ৩০০ টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। কেবিনেটে লগতে তেলেংগানা আৰু অন্ধ্ৰপ্ৰদেশৰ মাজৰ বিবাদ নিষ্পত্তিৰ বাবে ১৯৫৬ চনত আন্তঃৰাজ্যিক নদী জল বিবাদ আইনৰ অধীনত দ্বিতীয় কৃষ্ণা জলবিবাদ ন্যায়াধীকৰণৰ প্ৰসংগত চৰ্তত অনুমোদন জনাইছে বুলি শ্ৰীঠাকুৰে প্ৰকাশ কৰে। তেওঁ কয় যে, এই বিবাদ নিষ্পত্তিৰ ফলত দুয়োখন ৰাজ্যৰ বাবে বিকাশৰ নতুন দ্বাৰ মুকলি হব। তেওঁ লগতে কয় যে, চৰকাৰে তেলেংগানাত চম্মক্কা চৰক্কা জনজাতীয় বিশ্ববিদ্যালয় স্থাপনৰ উদ্দেশ্যে ২০০৯ চনৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় আইনৰ সংশোধনৰ প্ৰস্তাৱত অনুমোদন দিছে। ৮৮৯ কোটিৰো অধিক টকা ব্যয়েৰে মুলুগু জিলাত এই বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব। নতুন বিশ্ববিদ্যালয়খনে কেৱল ৰাজ্যখনক উচ্চ শিক্ষাৰ প্ৰসাৰ আৰু গুণগত মান উন্নত কৰাই নহয় বৰং ৰাজ্যখনৰ জনজাতীয় সম্প্ৰদায়ৰ হিতাৰ্থে জনজাতীয় কলা সংস্কৃতি তথা পৰম্পৰাগত জ্ঞান প্ৰণালীৰ বিষয়ে গৱেষণাৰ সুবিধা প্ৰদান কৰিব। কেন্দ্ৰীয় কেবিনেটে লগতে আন্দামান নিকোবৰ দ্বীপপুঞ্জৰ বাবে ৰায়তি স্বত্ব নিয়ন্ত্ৰণ, ২০২৩, দাদৰা আৰু নগৰ হাভেলী তথা দমন আৰু ডিউ ৰায়তি স্বত্ব নিয়ন্ত্ৰণ ২০২৩ আৰু লাক্ষাদ্বীপ ৰায়তি স্বত্ব নিয়ন্ত্ৰণ, ২০২৩ সন্দৰ্ভত অধ্যাদেশ জাৰিৰ প্ৰস্তাৱতো অনুমোদন দিছে। এই অধ্যাদেশৰ ফলত কেন্দ্ৰীয় শাসিত অঞ্চল আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, দাদৰা আৰু নগৰ হাভেলী আৰু দমন আৰু ডিউত স্বত্বাধিকাৰী আৰু ভাড়াতীয়া উভয়ৰে হিত আৰু অধিকাৰ সন্তুলিত কৰি জবাবদিহি আৰু স্বচ্ছ ব্যৱস্থাৰ বাবে আইনী পৰিকাঠামো প্ৰৱৰ্তন কৰিব পৰা যাব।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ৰাজস্থানৰ যোধপুৰত কেইবাটাও প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে আন কেইটামান উন্নয়নমূলক প্ৰকল্পও ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰিব। এনে প্ৰকল্পৰ ভিতৰত স্থলপথ, ৰেলপথ, আকাশীপথ, স্বাস্থ্যসেৱা আৰু উচ্চশিক্ষা খণ্ডৰ প্ৰায় ৫ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ উন্নয়নমূলক প্ৰকল্পক সামৰি লোৱা হৈছে।

প্ৰধানমন্ত্ৰীয়ে কাইলৈ আধাৰশিলা স্থাপন আৰু আনুষ্ঠানিকভাবে মুকলি কৰিবলগীয়া এনে প্ৰকল্পৰ উল্লেখযোগ্য কেইটামান হ'ল- যোধপুৰত স্থাপন কৰিবলগীয়া সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান, এইমছৰ ৩৫০খন বিচনাযুক্ত এখন

অত্যাধুনিক চিকিৎসালয়, প্ৰধানমন্ত্ৰী আয়ুস্মান ভাৰত স্বাস্থ্য আন্তঃগাঁথনি অভিযান, PM-ABHIMৰ অধীনত ৰাজ্যখনৰ ভিন ভিন স্থানত স্থাপন কৰিবলগীয়া ৭ টা সংকটকালীন পৰিচৰ্যা কেন্দ্ৰ আৰু ৪৮০ কোটি টকা ব্যয় সাপেক্ষে যোধপুৰ বিমান বন্দৰত নিৰ্মাণ কৰিবলগীয়া এটা অত্যাধুনিক টাৰ্মিনেল ভৱন। এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাজস্থানত নতুনকৈ আৰম্ভ কৰিবলগীয়া তিনিখন ৰে'লগাড়ীৰ সেৱাও আনুষ্ঠানিকভাবে মুকলি কৰিব। এই ৰে'লগাড়ীকেইখনৰ ভিতৰত এখন ঐতিহ্য শ্ৰেণীৰ ৰে'লগাড়ীও থাকিব।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ বিয়লি মধ্যপ্ৰদেশৰ জববলপুৰত ১২ হাজাৰ ৬০০ কোটি টকাতকৈও অধিক পৰিমাণৰ পুঁজি ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ লগতে আনকেইটামানৰ আধাৰশিলা স্থাপন কৰিব। এনে প্ৰকল্পসমূহৰ ভিতৰত ৰে'লপথ, স্থলপথ, গেছ পাইপ লাইন, বাসগৃহ আৰু খোৱাপানীৰ সৈতে জড়িত ভালেমান প্ৰকল্প আছে। ৰাজ্যখনৰ ইন্দোৰত ৰূপায়ণ কৰিবলগীয়া লঘু গৃহ প্ৰকল্পই প্ৰধানমন্ত্ৰীৰ সকলোৰে বাবে বাসগৃহৰ লক্ষ্য পূৰণৰ দিশত শক্তিশালী বৰঙণি আগবঢ়াব বুলি আশা কৰা হৈছে। **প্ৰধানমন্ত্ৰী আবাস যোজনা, নগৰীয়া**ৰ অধীনত প্ৰায় ১২৮ কোটি টকা ব্যয় সাপেক্ষে ৰূপায়ণ কৰিবলগীয়া এই আঁচনিয়ে ১ হাজাৰতকৈও অধিক সংখ্যক উপভোক্তা পৰিয়ালক উপকৃত কৰিব।

০০০

চিকিমত হোৱাৰ ডাৱৰ বিস্ফোৰণৰ ফলত গ্লেছিয়েল হ্ৰদ, লোনাক হ্ৰদ আৰু তিস্তা নৈৰ অৱবাহিকাকে ধৰি জলাশয়সমূহত আকস্মিকভাবে জলস্তৰ বৃদ্ধি পোৱাৰ ফলত ৰাজ্যখনৰ ভালেমান ঠাই আজি নিচেই পুৱাতে বানৰ কবলত পৰিছে। ৰাজ্যখনৰ দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে এই কথা প্ৰকাশ কৰিছে। আকস্মিকভাবে হোৱা এই বানৰ ফলত পাকিয়ং জিলাত সেনাবাহিনীৰ ২৩ গৰাকী জোৱানসহ সন্ধানহীন হৈ পৰা বুলি বাতৰি প্ৰকাশ পাইছে। বানৰ ফলত জিলাখনত ৫ জন লোকে প্ৰাণ হেৰুৱাইছে।

ৰাজ্যখনৰ মংগন, গেংটক, পাকিয়ং আৰু নামচি জিলাৰো ভালেমান ঠাই বানৰ কবলত পৰাৰ ফলত ব্যাপক পৰিমাণৰ ক্ষয়-ক্ষতি হোৱা বুলি প্ৰকাশ পাইছে। এই জিলাকেইখনৰ কেইবাখনো দলং পানীৰ প্ৰবল সোঁতত ভাগি পৰাৰ লগতে বহুসংখ্যক বাসগৃহ বানে উটুৱাই নিছে। গেংটকত তিস্তা নৈৰ ওপৰৰ চিংটাম আৰু আদৰ্শগাওঁ তথা নামচি জিলা সংযোগী ইন্দ্ৰেনী আৰু এলদিকাজি দলং বাঢ়নি পানীয়ে উটুৱাই নিছে। ৰাজ্যিক দুৰ্যোগ সহাৰি বাহিনীয়ে প্ৰভাৱিত এলেকাৰ পৰা ২৫ জন লোকক উদ্ধাৰ কৰিছে।

মংগন জিলাত এখন দলং ধবংসপ্ৰাপ্ত হোৱাৰ ফলত চুংতাঙকে ধৰি ঠায়ে ঠায়ে যোগযোগ ব্যৱস্থা ব্যাহত হৈ পৰিছে। জিলাখনত বানৰ ফলত ৫ জন লোকে প্ৰাণ হেৰুৱাৰ লগতে ১৪ জন লোক সন্ধানহীন হৈ আছে।

আনহাতে ছাংখালাং এলেকাত জি আৰ ই এফৰ দুজন শ্ৰমিক সন্ধানহীন হোৱা বুলিও বাতৰি প্ৰকাশ পাইছে। আনহাতে গেংটক জিলাত বানৰ ফলত আৱদ্ধ হৈ পৰা ২৫ গৰাকী লোকক এছ ডি আৰ এফে উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। এই প্ৰাকৃতিক দুৰ্যোগৰ প্ৰতি লক্ষ্য ৰাখি মংগন, গেংটক, পাকিয়ং আৰু নামচি জিলাত অহা ৮ অক্টোবৰ পৰ্যন্ত চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ সকলো বিদ্যালয় বন্ধ ৰখাৰ বাবে প্ৰশাসনে নিৰ্দেশ দিছে।

ইপিনে নামচি জিলাত বাঢ়নি পানীয়ে দুজন লোকক উটুৱাই নিয়া বাতৰি পোৱা গৈছে। জিলাকেইখনত প্ৰভাৱিত লোকৰ বাবে আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। শেহতীয়া এই প্ৰাকৃতিক দুৰ্যোগৰ ফলত শিলিগুৰি হৈ পশ্চিমবংগৰ সৈতে ৰাজ্যখনৰ যাতায়াত ব্যৱস্থা ১০ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ কমেও চাৰিটা স্থানত ব্যাহত হৈ পৰিছে।

ৰাষ্ট্ৰীয় দুৰ্যোগ সহাৰি বাহিনী এন ডি আৰ এফে কৈছে যে, ধাৰাষাৰ বৰষুণ, ডাৱৰ বিস্ফোৰণ আৰু বানৰ পৰিপ্ৰেক্ষিতত চিকিমত বাহিনীটোৰ কেইটাবাও দল নিয়োগ কৰা হৈছে। এন ডি আৰ এফে প্ৰকাশ কৰা মতে গেংটকত এটা আৰু চিকিমৰ দাতিকাষৰীয়া পশ্চিমবংগত দুটা দল নিয়োগ কৰা হৈছে। দল কেইটাই বৰ্তমানলৈকে ৭ গৰাকী লোকক বানৰ কবলৰ পৰা উদ্ধাৰ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাঙৰ সৈতে কথা পাতে আৰু গ্লেছিয়েল হ্ৰদৰ পানী অকস্মাত বৃদ্ধি পোৱাৰ বাবে ৰাজ্যখনৰ বিভিন্ন অংশত সৃষ্টি হোৱা বানৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিৰ বুজ লয়। প্ৰধানমন্ত্ৰীয়ে

মুখ্যমন্ত্ৰী তামাঙক যথাসম্ভৱ সকলো ধৰণৰ সহায় আগবঢ়োৱাৰ আশ্বাস দিয়ে আৰু প্ৰভাৱিত লোকসকলৰ নিৰাপত্তা আৰু কল্যাণৰ হ'কে  প্ৰাৰ্থনা জনায়।

০০০

ফ্ৰান্স আমেৰিকীয় ৰসায়নবিদ মৌংগী জি বাৱেন্দী, আমেৰিকাৰ লুইছ্ ই ব্ৰুছ্ আৰু ৰাছিয়াত জন্ম হোৱা এলেক্সি আই একিমোভক কোৱাণ্টাম বিন্দুৰ আৱিস্কাৰ আৰু সংশ্লেষণৰ বাবে ২০২৩ বৰ্ষৰ ৰসায়ন বিজ্ঞানৰ নবেল বঁটা আগবঢ়োৱা হৈছে। কোৱাণ্টাম বিন্দু হৈছে অতি ক্ষুদ্ৰ কণিকা। এই কণাসমূহৰ আকাৰে এইসমূহৰ  বৈশিষ্ট নিৰ্ণয় কৰে। এই আৱিস্কাৰে কিউ এল ই দি টেলিভিশ্বন আৰু এল ই ডি লেম্পৰ প্ৰযুক্তিৰ ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ বৰঙণি আগবঢ়াইছে। এই কণাসমূহে জীৱন্ত ৰং সৃষ্টিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। নবেল পুৰস্কাৰৰ আনুষ্ঠানিক ৱেবছাইটত প্ৰকাশ পোৱা অনুসৰি নেনো প্ৰযুক্তিবিদ্যাৰ এই অতি ক্ষুদ্ৰ কণিকাসমূহে   চিকিৎসকসকলক শৈল্য চিকিৎসাৰ সময়ত সহায় কৰাৰ লগতে অন্যান্য বিভিন্ন ক্ষেত্ৰত অৰিহণা যোগাব পাৰে।

০০০

চীনৰ হাংচ'অ'ত অনুষ্ঠিত এছিয়ান গেমছৰ পুৰুষৰ জেভলীন থ্ৰ'ত নিৰজ চোপ্ৰাই সোণৰ পদক আৰু কিশোৰ জেনাই ৰূপৰ পদক অৰ্জন কৰিছে। প্ৰতিযোগিতাৰ ৮০০ মিটাৰ দৌৰৰ ফাইনেলত হাৰমিলন বেইনছে ৰূপৰ পদক অৰ্জন কৰাৰ বিপৰীতে পুৰুষৰ ৫ হাজাৰ মিটাৰ দৌৰ প্ৰতিযোগিতাৰ ফাইনেলত অৱিনাশ চেবলে ৰূপৰ পদক অৰ্জন কৰিছে। তদুপৰি মহিলাৰ 4x400 মিটাৰ ৰীলে দৌৰত ভাৰতে ৰূপৰ পদক অৰ্জন কৰিছে। আৰ্চাৰী প্ৰতিযোগিতাত ভাৰতৰ জ্যোতি সুৰেখা ৱেন্নাম আৰু অজাছ দেওতোলেৰ যুটিয়ে সোণৰ পদক অৰ্জন কৰিছে। তেওঁলোকে এই শাখাৰ কম্পাউণ্ড মিক্সড টীম চূড়ান্ত প্ৰতিযোগিতাত কোৰিয়া গণতন্ত্ৰৰ প্ৰতিদ্বন্দ্বীক ১৫৯-১৫৮ ব্যৱধানত পৰাস্ত কৰি খিতাপ দখল কৰিবলৈ সমৰ্থ হয়। মহিলাৰ বক্সিঙৰ ৭৫ কিলোগ্ৰাম শাখাৰ  লাভলীনা বৰগোহাঁইয়ে ৰূপৰ পদক অৰ্জন কৰাৰ বিপৰীতে ৫৭ কিলোগ্ৰাম শাখাত পাৰবীন হুদাই ব্ৰঞ্জৰ পদক লাভ কৰিছে। ভাৰতৰ অভয় সিং আৰু অনাহত সিঙে স্কোৱাছৰ মিক্সড শিতানত মালয়েছিয়াৰ প্ৰতিদ্বন্দ্বীক হৰুৱাই ব্ৰঞ্জৰ পদক লাভ কৰিছে। মিক্সড ডাবলছৰ ছেমিফাইনেলত দিপিকা পল্লিকাল আৰু হৰিন্দৰ পাল সিঙে হংকঙৰ প্ৰতিদ্বন্দিক পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। স্কোৱাচৰ পুৰুষৰ একক শাখাত সৌৰভ ঘোশালে চীনৰ প্ৰতিদ্বন্দ্বীক পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছে।

ভাৰতে এইবাৰৰ এছিয়ান গেমছত বৰ্তমানলৈকে ১৭ টা সোণ, ৩১ টা ৰূপ আৰু ৩২ টা ব্ৰঞ্জসহ মুঠ ৮০ টা পদক লাভ কৰিছে। ভাৰত সম্প্ৰতি প্ৰতিযোগিতাৰ পদক তালিকাৰ চতুৰ্থ স্থানত আছে।

০০০

সমাপ্ত